**“মৰমৰ সন্তানসকল – পিতা তোমালোক সন্তানসকলক স্বচ্ছ বুদ্ধিৰ কৰি তুলিবলৈ আহিছে, যেতিয়া স্বচ্ছ হ’বা তেতিয়া তোমালোক দেৱতা হ’ব পাৰিবা”**

প্ৰশ্ন: এই ড্ৰামাৰ পূৰ্ব নিৰ্ধাৰিত পৰিকল্পনা কি, যাৰ পৰা পিতাও হাত সাৰিব নোৱাৰে?

উত্তৰ: প্ৰত্যেক কল্পত পিতা নিজৰ সন্তানসকলৰ ওচৰলৈ আহিবই লাগে, পতিত দুখী সন্তানসকলক সুখী কৰি তুলিবই লাগে – ড্ৰামাৰ এই পৰিকল্পনা নিৰ্ধাৰিত হৈ আছে, এইটো বন্ধনৰ পৰা পিতাও হাত সাৰিব নোৱাৰে।

প্ৰশ্ন: পঢ়াওঁতা পিতাৰ মুখ্য বিশেষত্ব কি?

উত্তৰ: তেওঁ বহুত নিৰহংকাৰী হৈ পতিত সৃষ্টিত, পতিত শৰীৰত আহে। পিতাই বৰ্তমান সময়ত তোমোলকক স্বৰ্গৰ মালিক কৰি তোলে, তোমালোকে আকৌ দ্বাপৰত তেওঁৰ কাৰণে সোণৰ মন্দিৰ নিৰ্মাণ কৰা।

গীত: ইচ্ পাপ কী দুনিয়া চে… (এই পাপৰ জগতৰ পৰা...)

ওঁম্ শান্তি। অতি মৰমৰ আত্মিক সন্তানসকলে এই গীতটি শুনিলে যে দুখন সৃষ্টি আছে - এখন পাপৰ সৃষ্টি, আনখন পুণ্যৰ সৃষ্টি। দুখৰ সৃষ্টি আৰু সুখৰ সৃষ্টি। সুখ নিশ্চয় নতুন সৃষ্টিত, নতুন ঘৰত হ’ব পাৰে। পুৰণি ঘৰত দুখেই হয়, সেইকাৰণে সেইখনক নাশ কৰি দিয়া হয়। আকৌ নতুন ঘৰত সুখেৰে জীৱন যাপন কৰিব লাগে। এতিয়া সন্তানসকলে জানে ভগৱানক কোনো মনুষ্য মাত্ৰেই নাজানে। ৰাৱণৰাজ্য হোৱাৰ কাৰণে একেবাৰে পাথৰ বুদ্ধিৰ, তমোপ্ৰধান বুদ্ধিৰ হৈ গ’ল। পিতাই আহি বুজায় - মোক ভগৱান বুলিতো কয় কিন্তু কোনেও নাজানে। ভগৱানক যদি নাজানে তেন্তে কোনো কামৰে হৈ নাথাকে। দুখতহে ‘হে প্ৰভু’, ‘হে ঈশ্বৰ’ বুলি মিনতি কৰে। কিন্তু আচৰিত কথা, এজনো মনুষ্যই বেহদৰ পিতা ৰচয়িতাক নাজানে। সৰ্বব্যাপি বুলি কৈ দিয়ে, কাছ-মাছতো পৰমাত্মা আছে। এনেকৈতো পৰমাত্মাৰ গ্লানিহে কৰে। পিতাৰ কিমান বদনাম কৰে সেইকাৰণে ভগৱানুবাচ (ভগৱানে কয়) - যেতিয়া ভাৰতত মোৰ আৰু দেৱী-দেৱতাসকলৰ গ্লানি কৰি কৰি ছিৰি তললৈ নামি তমোপ্ৰধান হৈ যায় তেতিয়া মই আহোঁ। ড্ৰামা অনুসৰি সন্তানসকলে কয় এইটো ভূমিকা পালন কৰিবলৈ আকৌ আহিব লাগিব। পিতাই কয় - এই ড্ৰামাখন ৰচি থোৱা আছে। ময়ো ড্ৰামাৰ বন্ধনত বান্ধ খাই আছোঁ। এই ড্ৰামাৰ পৰা ময়ো হাত সাৰি থাকিব নোৱাৰোঁ। ময়ো পতিতক পাৱন কৰি তুলিবলৈ আহিবই লাগে। নহ’লে নতুন সৃষ্টি কোনে স্থাপনা কৰিব? সন্তানসকলক ৰাৱণৰাজ্যৰ দুখৰ পৰা মুক্ত কৰি নতুন সৃষ্টিলৈ কোনে লৈ যাব? যদিও এইখন জগতত এনেকুৱা বহুত ধনৱান মনুষ্য আছে, তেওঁলোকে ভাবে আমিতো স্বৰ্গত বহি আছোঁ, ধন আছে, মহল আছে, উৰাজাহাজ আছে কিন্তু হঠাতে কোনোবা বেমাৰত পৰে, বহি থাকোঁতেই মৃত্যুক সাৱটি লয়, কিমান দুখ হয়। তেওঁলোকে এইটো নাজানে যে সত্যযুগত কেতিয়াও অকাল মৃত্যু নহয়, দুখৰ কথাই নাথাকে। তাত আয়ুসো দীঘলীয়া হয়। ইয়াততো অকস্মাত মৃত্যু হৈ যায়। সত্যযুগত এনেকুৱা কথা নাথাকে। তাত কি হয়? এয়াও কোনেও নাজানে সেইকাৰণে পিতাই কয় - কিমান তুচ্ছ বুদ্ধি হৈ গ’ল। মই আহি এওঁলোকক স্বচ্ছ বুদ্ধি কৰি তোলোঁ। ৰাৱণে পাথৰ বুদ্ধিৰ, তুচ্ছ বুদ্ধিৰ কৰি তোলে। ভগৱানে স্বচ্ছ বুদ্ধিৰ কৰি আছে। পিতাই তোমালোকক মনুষ্যৰ পৰা দেৱতা কৰি গঢ়ি আছে। সকলো সন্তানে কয় সূৰ্যবংশী মহাৰজা-মহাৰাণী হ’বলৈ আহিছোঁ। লক্ষ্য-উদ্দেশ্য সন্মুখত আছে। নৰৰ পৰা নাৰায়ণ হ’ব লাগে। এয়া হৈছে সত্য নাৰায়ণৰ কথা। আকৌ ভক্তিমাৰ্গত ব্ৰাহ্মণে কথা শুনাই থাকে। তাৰ দ্বাৰা সঁচাকৈ জানো কোনোবা নৰৰ পৰা নাৰায়ণ হয়! তোমালোকতো সঁচাকৈ নৰৰ পৰা নাৰায়ণ হ’বলৈ আহিছা। কোনো কোনোৱে সোধে আপোনালোকৰ সংস্থাটিৰ উদ্দেশ্য কি? তেতিয়া ক’বা - নৰৰ পৰা নাৰায়ণ হোৱা - এয়া হৈছে আমাৰ উদ্দেশ্য। কিন্তু এইটো কোনো সংস্থা নহয়। এয়াতো পৰিয়াল হয়। মা, পিতা আৰু সন্তানসকল বহি আছে। ভক্তিমাৰ্গততো গাইছিলা - তুমি মাতা-পিতা.....। হে মাতা-পিতা যেতিয়া আপুনি আহে তেতিয়া আমি আপোনাৰ পৰা অপাৰ সুখ প্ৰাপ্ত কৰোঁ, আমি বিশ্বৰ মালিক হৈ যাওঁ। এতিয়া তোমালোক বিশ্বৰ মালিক হৈ আছা নহয়, সেয়াও স্বৰ্গৰ। এতিয়া এনেকুৱা পিতাক দেখিলে কিমান আনন্দিত হ’ব লাগে। যাক আধাকল্প স্মৰণ কৰিলা - হে ভগৱান আহক, আপুনি আহিলে আমি আপোনাৰ পৰা বহুত সুখ পাম। এই বেহদৰ পিতাইতো বেহদৰ উত্তৰাধিকাৰ দিয়ে, তাকো 21 জন্মৰ কাৰণে। পিতাই কয় - মই তোমালোকক দৈৱী সম্প্ৰদায়ৰ কৰি তোলোঁ, ৰাৱণে আসুৰি সম্প্ৰদায়ৰ কৰি তোলে। মই আদি সনাতন দেৱী-দেৱতা ধৰ্ম প্ৰতিষ্ঠা কৰোঁ। তাত পৱিত্ৰতাৰ কাৰণে আয়ুসো দীঘলীয়া হয়। ইয়াত হৈছে ভোগী, অকস্মাত মৃত্যু হৈ থাকে। তাত যোগৰ দ্বাৰা উত্তৰাধিকাৰ প্ৰাপ্ত হৈ থাকে। আয়ুসো 150 বছৰলৈ থাকে। নিজৰ সময়ত এটা শৰীৰ এৰি অন্য এটা শৰীৰ লয়। এই জ্ঞান পিতাইহে বহি দিয়ে।

ভক্তগণে ভগৱানক বিচাৰে, এনেকৈ ভাবে শাস্ত্র পঢ়া, তীৰ্থ আদি কৰা - এই সকলোবোৰ ভগৱানক পোৱাৰ পথ। পিতাই কয় - এয়া ৰাস্তা নহয়েই। ৰাস্তাতো মইহে দেখুৱাম। তোমালোকেতো কৈছিলা - হে অন্ধৰ লাখুটি প্ৰভু আহক, আমাক শান্তিধাম–সুখধামলৈ লৈ যাওঁক। তেন্তে পিতাইহে সুখধামৰ ৰাস্তাৰ বিষয়ে কয়। পিতাই কেতিয়াও দুখ নিদিয়ে। এয়াতো পিতাৰ ওপৰত মিছা কলংক লগাই দিয়ে। কোনোবা মৰিলে ভগৱানক গালি দিবলৈ ধৰে। পিতাই কয় - মই জানো কাৰোবাক মাৰো বা দুখ দিওঁ। এয়াতো প্ৰত্যেকৰে নিজৰ নিজৰ ভূমিকা আছে। মই যি ৰাজ্য স্থাপনা কৰোঁ, তাত অকাল মৃত্যু, দুখ আদি কেতিয়াও নহয়েই। মই তোমালোকক সুখধামলৈ লৈ যাওঁ। সন্তানসকল ৰোমাঞ্চিত হৈ যোৱা উচিত। অহো! বাবাই আমাক পুৰুষোত্তম কৰি আছে। মনুষ্যই এয়া গম নাপায় যে সংগমযুগক পুৰুষোত্তম বুলি কোৱা হয়। ভক্তিমাৰ্গত ভক্তই আকৌ পুৰুষোত্তম মাহ আদি নিৰ্ধাৰণ কৰি লৈছে। বাস্তৱত হৈছে পুৰুষোত্তম যুগ, যেতিয়া পিতা আহি উচ্চতকৈও উচ্চ কৰি গঢ়ি তোলে। এতিয়া তোমালোক পুৰুষোত্তম হৈ আছা। সকলোতকৈ উচ্চতকৈও উচ্চ পুৰুষোত্তম লক্ষ্মী-নাৰায়ণেই হয়। মনুষ্যইতো একো বুজি নাপায়। আৰোহণ কলাত লৈ যাওঁতা হৈছে এজনেই পিতা। ছিৰিৰ চিত্ৰৰ ওপৰত যিকোনো লোককে বুজাবলৈ সহজ। পিতাই কয় এতিয়া খেলৰ অন্ত পৰিল, ঘৰলৈ ব'লা। এতিয়া এই পুৰণি ছিঃ ছিঃ বস্ত্র এৰিব লাগে। তোমালোক প্ৰথমে নতুন সৃষ্টিত সতোপ্ৰধান আছিলা আকৌ 84 জন্ম ভোগ কৰি তমোপ্ৰধান শূদ্ৰ হৈ গ'লা। এতিয়া পুনৰ শূদ্ৰৰ পৰা ব্ৰাহ্মণ হৈছা। এতিয়া পিতা আহিছে ভক্তিৰ ফল দিবলৈ। পিতাই সত্যযুগত ফল দিছিল। পিতা হয়েই সুখদাতা। পিতা পতিত-পাৱন আহিলে তেতিয়া গোটেই সৃষ্টিৰ কেৱল মনুষ্যকেই নহয় প্ৰকৃতিকো সতোপ্ৰধান কৰি তোলে। এতিয়াতো প্ৰকৃতিও তমোপ্ৰধান। খাদ্য-শস্য আদি পোৱাই নাযায়, তেওঁলোকে ভাবে আমি এইটো এইটো কৰিছোঁ। অহা বছৰ বহুত শস্য হ'ব। কিন্তু একোৱেই নহয়। প্ৰাকৃতিক দুৰ্যোগক কোনে কি কৰিব পাৰে! দুৰ্ভিক্ষ হ'ব, ভূমিকম্প হ'ব, ৰোগ-ব্যাধিয়ে দেখা দিব। ৰক্তৰ নদী বৈ যাব। এয়া সেয়াই মহাভাৰতৰ যুদ্ধ। এতিয়া পিতাই কয় - তোমালোকে নিজৰ উত্তৰাধিকাৰ লৈ লোৱা। মই তোমালোক সন্তানসকলক স্বৰ্গৰ উত্তাৰাধিকাৰ দিবলৈ আহিছোঁ। মায়া ৰাৱণে অভিশাপ দিয়ে, নৰকৰ সম্পত্তি দিয়ে। এয়াও খেল ৰচি থোৱা আছে। পিতাই কয় - মই ড্ৰামা অনুসৰি শিৱালয় স্থাপনা কৰোঁ। এই ভাৰত শিৱালয় আছিল, এতিয়া বেশ্যালয় হ'ল। বিষয় সাগৰত ডুবি থাকে।

এতিয়া তোমালোক সন্তানসকলে জানা বাবাই আমাক শিৱালয়লৈ লৈ যায় তেন্তে এইটো আনন্দ থাকিব লাগে নহয়। আমাক বেহদৰ ভগৱানে পঢ়াই আছে। পিতাই কয় - মই তোমালোকক বিশ্বৰ মালিক কৰি তোলোঁ। ভাৰতবাসীয়ে নিজৰ ধৰ্মকে নাজানে। আমাৰ বংশবৃক্ষতো অতি ডাঙৰ য'ৰ পৰা আৰু বংশবৃক্ষ অংকুৰিত হয়। ভাৰতবাসীয়ে আদি সনাতন কি ধৰ্ম হয়, তেওঁলোক কোনটো বংশবৃক্ষৰ আছিল - সেয়া বুজি নাপায়। আদি সনাতন দেৱী-দেৱতা ধৰ্মাৱলম্বীৰ বংশবৃক্ষ, আকৌ দ্বিতীয় নম্বৰত চন্দ্ৰবংশী বংশবৃক্ষ, তাৰ পাছত ইছলামী বংশবৃক্ষ। এই গোটেই বৃক্ষৰ ৰহস্য আন কোনেও বুজাব নোৱাৰে। এতিয়াতো চোৱা কিমান বংশবৃক্ষ আছে। ঠাল-ঠেঙুলি কিমান আছে। এয়া হৈছে বিভিন্ন ধৰ্মৰ বৃক্ষ, এই কথাবোৰ পিতাহে আহি বুদ্ধিত ধাৰণ কৰায়। এয়া হৈছে পঢ়া, এয়াতো নিতৌ পঢ়িব লাগে। ভগৱানুবাচ - মই তোমালোকক ৰজাৰো ৰজা কৰি তোলোঁ। পতিত ৰজাতো বিনাশী ধন দান কৰি হ'ব পাৰে। মই তোমালোকক এনেকুৱা পাৱন কৰি তোলোঁ যে 21 জন্মৰ কাৰণে তোমালোক বিশ্বৰ মালিক হৈ যোৱা। তাত কেতিয়াও অকাল মৃত্যু নহয়। নিজৰ সময়মতে শৰীৰ এৰে। তোমালোক সন্তানসকলক ড্ৰামাৰ ৰহস্যও পিতাই বুজাইছে। সেই চিনেমা, ড্ৰামা আদি ওলাইছে তাৰ ওপৰত বুজাবলৈও সহজ হয়। আজিকালিতো বহুত ড্ৰামা আদি ৰচনা কৰে। মনুষ্যৰ বহুত চখ হৈ গৈছে। সেই সকলোবোৰ হৈছে হদৰ (সীমিত), এয়া হৈছে বেহদৰ ড্ৰামা। এই সময়ত মায়াৰ পাম্প (জাকজমকতা) বহুত। মনুষ্যই ভাবে - এতিয়াতো স্বৰ্গ হৈ গ'ল। আগতে ইমান ডাঙৰ অট্টালিকাবোৰ আছিল জানো। তেন্তে কিমান প্ৰতিদ্বন্দ্বিতা আছে। ভগৱানে স্বৰ্গ ৰচিলে মায়ায়ো নিজৰ স্বৰ্গ দেখুৱায়। এয়া সকলো হৈছে মায়াৰ পাম্প। ইয়াৰ পতন অনিবাৰ্য। মায়া কিমান শক্তিশালী। তোমালোকে মায়াৰ পাম্পৰ পৰা মুখ ঘূৰাই ল'ব লাগে। পিতা হয়েই গৰিবৰ ত্ৰাণকৰ্তা। চহকীসকলৰ কাৰণে স্বৰ্গ, গৰিব বেচেৰাসকল নৰকত আছে। গতিকে এতিয়া নৰকবাসীসকলক স্বৰ্গবাসী কৰি তুলিব লাগে। গৰিবেহে উত্তৰাধিকাৰ ল'ব, চহকীসকলেতো ভাবে আমি স্বৰ্গত আছোঁ। স্বৰ্গ-নৰক ইয়াতেই। এই সকলোবোৰ কথা এতিয়া তোমালোকে বুজি পোৱা। ভাৰত কিমান ভিকহু হৈ গ'ল। ভাৰতেই কিমান চহকী আছিল। এটাই আদি সনাতন ধৰ্ম আছিল। এতিয়াও কিমান পুৰণি বস্তু ওলাই থাকে। তেতিয়া কয় - ইমান বছৰৰ পুৰণি বস্তু। হাড় উলিয়ায়, কয় ইমান লাখ বছৰৰ। এতিয়া লাখ বছৰৰ হাড় ক'ৰ পৰা ওলাব পাৰে। সেইবোৰৰ আকৌ মূল্যও কিমান ৰাখে।

পিতাই বুজায় মই আহি সকলোৰে সংগতি কৰোঁ, এওঁত শৰীৰত প্ৰৱেশ কৰোঁ। এওঁ ব্ৰহ্মা হৈছে সাকাৰী (শৰীৰধাৰী), এৱেঁই আকৌ সূক্ষ্মলোকবাসী ফৰিস্তা হয়গৈ। তেওঁ অব্যক্ত, এওঁ ব্যক্ত। পিতাই কয় - মই বহুত জন্মৰ অন্তিম জন্মৰো অন্তত আহোঁ, যিজন এক নম্বৰৰ পাৱন তেৱেঁই এক নম্বৰৰ পতিত হয়গৈ। মই এওঁৰ শৰীৰত আহোঁ কিয়নো এৱেঁই আকৌ এক

নম্বৰ পাৱন হ'ব লাগে। এওঁ নিজকে কেনেকৈ ক'ব পাৰে যে মই ভগৱান, অমুক হওঁ। পিতায়ো বুজি পায় - মই এইটো শৰীৰত প্ৰৱেশ কৰি এওঁৰ দ্বাৰা সকলোকে সতোপ্ৰধান কৰি তোলোঁ। এতিয়া পিতাই সন্তানসকলক বুজায় - তোমালোক অশৰীৰী হৈ আহিছিলা 84 জন্মৰ ভূমিকা পালন কৰিলা এতিয়া উভতি যাব লাগে। নিজক আত্মা বুলি বুজা, দেহ-অভিমান ত্যাগ কৰা। কেৱল স্মৃতিৰ যাত্ৰাত থাকিব লাগে আৰু কোনো কষ্ট নাই। যি পৱিত্ৰ হ'ব, জ্ঞান শুনিব তেৱেঁই বিশ্বৰ মালিক হ'বগৈ। কিমান ডাঙৰ স্কুল। পঢ়াওঁতা পিতা কিমান নিৰহংকাৰী হৈ পতিত সৃষ্টি, পতিত শৰীৰত আহে। ভক্তিমাৰ্গত তোমালোকে তেওঁৰ বাবে কিমান সুন্দৰ সোণৰ মন্দিৰ নিৰ্মাণ কৰা। এই সময়ত তোমালোকক স্বৰ্গৰ মালিক কৰি তোলোঁ সেয়েহে পতিত শৰীৰত আহি বহোঁ। আকৌ ভক্তিমাৰ্গত তোমালোকে মোক সোমনাথ মন্দিৰত স্থাপিত কৰা। সোণ, হীৰাৰ মন্দিৰ নিৰ্মাণ কৰা কিয়নো তোমালোকে জানা আমাক স্বৰ্গৰ মালিক কৰি তোলে গতিকে সমাদৰ কৰা। এই সকলোবোৰ ৰহস্য বুজাৱা হৈছে। প্ৰথমে অব্যভিচাৰী পাছলৈ ব্যভিচাৰী হয়। আজি কালি চোৰা মনুষ্যৰো পূজা কৰি থাকে। গঙ্গাৰ পাৰত গৈ 'শিৱোহম' (ময়েই শিৱ) বুলি কৈ বহি যায়। মাতাসকলে গৈ গাখীৰ অৰ্পণ কৰে, পূজা কৰে। এই দাদাই নিজেও কৰিছিল, এক নম্বৰ পূজাৰী হৈছে নহয় জানো? আচৰিত নহয়নে। পিতাই কয় - এইখন চমৎকাৰ সৃষ্টি। কেনেকৈ স্বৰ্গ হয়, কেনেকৈ নৰক হয় - পিতাই সকলোবোৰ ৰহস্য সন্তানসকলক বুজাই থাকে। এই জ্ঞানতো শাস্ত্ৰত নাই। সেইবোৰ হৈছে দৰ্শন শাস্ত্ৰ। এয়া হৈছে আধ্যাত্মিক জ্ঞান যি আত্মিক পিতা বা তোমালোক ব্ৰাহ্মণসকলৰ বাহিৰে কোনেও দিব নোৱাৰে। আৰু তোমালোক ব্ৰাহ্মণসকলৰ বাহিৰে আত্মিক জ্ঞান আন কোনেও পাব নোৱাৰে। ব্ৰাহ্মণ নহ'লে দেৱতা হ'ব নোৱাৰে। তোমালোক সন্তানসকল বহুত আনন্দিত হোৱা উচিত, ভগৱানে আমাক পঢ়ায়, শ্ৰীকৃষ্ণই নহয়। ভাল বাৰু!

অতিকৈ মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) মায়াৰ বৰ ডাঙৰ পাম্প (জাকজমকতা) আছে, ইয়াৰ পৰা নিজৰ মুখ ঘূৰাই ল'ব লাগে। সদায় এইটো আনন্দত ৰোমাঞ্চিত হৈ যাব লাগে যে আমিতো এতিয়া পুৰুষোত্তম হৈ আছোঁ, ভগৱানে আমাক পঢ়ায়।

(2) বিশ্বৰ ৰাজ্য-ভাগ্য লাভ কৰিবৰ কাৰণে কেৱল পৱিত্ৰ হ'ব লাগে। যেনেকৈ পিতা নিৰহংকাৰী হৈ পতিত সৃষ্টি, পতিত শৰীৰত আহে তেনেকৈ পিতাৰ সমান নিৰহংকাৰী হৈ সেৱা কৰিব লাগে।

বৰদান: এজনৰ সৈতে সকলো সম্বন্ধ গঢ়োঁতা সকলো দাঁতিৰ পৰা মুক্ত সম্পূৰ্ণ ফৰিস্তা হোৱা

যেনেকৈ কোনো বস্তু তৈয়াৰ কৰিলে যেতিয়া সেয়া তৈয়াৰ হৈ যায় তেতিয়া দাঁতি এৰি দিয়ে, তেনেকৈ যিমান সম্পন্ন অৱস্থা সমীপত আহি থাকিব সিমানে সকলোৰে পৰা কাষৰীয়া হৈ গৈ থাকিবা। যেতিয়া সকলো বন্ধনৰ পৰা বৃত্তিৰে কাষৰীয়া হৈ যাবা অৰ্থাৎ কাৰো প্ৰতি আসক্তি নাথাকিব তেতিয়া সম্পূৰ্ণ ফৰিস্তা হৈ যাবা। এজনৰ সৈতে সৰ্ব সম্বন্ধ গঢ়া- এটোৱেই ঠিকনা, ইয়াৰ দ্বাৰাই অন্তিম ফৰিস্তা জীৱনৰ লক্ষ্য সমীপত অনুভৱ হ'ব। বুদ্ধি দিগভ্ৰান্ত হোৱা বন্ধ হৈ যাব।

শ্লোগান: স্নেহ এনেকুৱা চুম্বক যিয়ে গ্লানি কৰাসকলকো সমীপত লৈ আহে।

!! ওঁম্ শান্তি !!

শক্তিশালী মনেৰে শক্তিৰ প্ৰকম্পন দিয়াৰ সেৱা কৰিবলৈ আজিৰ অব্যক্ত সংকেত:

মনৰ সেৱাৰ বাবে মন, বুদ্ধি ব্যৰ্থ ভবাৰ পৰা মুক্ত হোৱা উচিত। 'মনমনাভৱ' মন্ত্ৰৰ সহজ স্বৰূপ হোৱা উচিত। যিসকল শ্ৰেষ্ঠ আত্মাৰ মন শ্ৰেষ্ঠ অৰ্থাৎ সংকল্প শক্তিশালী, শুভ-ভাৱনা, শুভ-কামনা কৰোঁতা তেওঁলোকে মনৰ দ্বাৰা শক্তি দান কৰিব পাৰে।